# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-05-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

উন্নত ভাৰত গঢ়াৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন অতি প্ৰয়োজনীয়। নতুন দিল্লীত আজি ৰাইজিং নৰ্থ-ইষ্ট বিনিয়োগকাৰী সন্মিলন মুকলি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে বিনিয়োগকাৰীসকলক উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন খণ্ডত বিনিয়োগৰ বাবে আহ্বান জনাই কয়, যে বৰ্তমান উত্তৰ-পূৰ্বাঞ্চল সুযোগৰ ভূমি হৈ পৰিছে। উত্তৰ-পূৰ্বাঞ্চলক তেওঁ শক্তি আৰু ছেমিকণ্ডাক্টৰৰ মূল ছাবিকাঠি বুলিও উল্লেখ কৰে। উত্তৰ-পূৰ্বাঞ্চলক বৈচিত্ৰময় অঞ্চল হিচাপে আলোকপাত কৰি প্ৰধানমন্ত্ৰী  মোদীয়ে এই বিচিত্ৰতাই ভাৰতৰ প্ৰধান শক্তি বুলি মত প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক পৰ্যটনৰ ৰম্যভূমি বুলি উল্লেখ কৰি কয়, যে এই অঞ্চল আন্তৰাষ্ট্ৰীয় সন্মিলন, সংগীত সন্মিলন তথা আকৰ্ষণীয় বিবাহৰ স্থান হিচাপে পৰিগণিত হোৱাৰ থল আছে। তেঁও লগতে উত্তৰ পূৰ্বাঞ্চল জৈৱ অৰ্থনীতি, বাহ উদ্যোগ, চাহ, পেট্ৰোলিয়াম, ক্ৰীড়া আৰু দক্ষতাৰ উপৰি পৰিবেশ পৰ্যটনৰ কেন্দ্ৰ হিচাপেও বিকশিত হৈ উঠিছে বুলি মন্তব্য কৰে।  শ্ৰীমোদীয়ে এই খণ্ডৰ পুৰ্বৰ প্ৰত্যাহ্বানসমূহৰ কথা উল্লেখ কৰি কয়, যে বৰ্তমান উত্তৰ পূৰ্বাঞ্চলৰ সুযোগৰ ভূমি হিচাপে পৰিগণিত হৈছে। অসমৰ ভূপেন হাজৰিকা সেঁতু আৰু  অৰুণাচল প্ৰদেশৰ চেলা সুৰংগৰ দৰে প্ৰকল্পসমূহত হাজাৰ হাজাৰ কোটি টকা বিনিয়োগ কৰি এই খণ্ডত যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ প্ৰয়াস কৰা হৈছে বুলিও প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে ভাৰত মণ্ডপমত শেহতীয়াকৈ অনুষ্ঠিত হোৱা অষ্টলক্ষ্মী মহোৎসৱক সুঁৱৰি কয়, যে আজিৰ অনুষ্ঠানটোৱে উত্তৰ পূৰ্বাঞ্চলত বিনিয়োগক উদ্‌যাপন কৰিছে।

এই সন্মিলনত অংশগ্ৰহণ কৰি উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কয়, যে চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা উন্নয়নৰ বাবে কাম কৰি আহিছে। তেওঁ কয়, যে দুহেজাৰতকৈও অধিক বিমান চলাচলেৰে বৰ্তমান এই খণ্ডত ১৭ টা বিমান বন্দৰ আছে। তেওঁ উত্তৰ-পূৰ্বাঞ্চল দক্ষিণ-পূব এছিয়াৰ আন্তৰ্জাতিক কৰিডʼৰ হৈ পৰিব বুলিও আশা প্ৰকাশ কৰে।

ooooo

শোণিতপুৰ জিলাৰ মিছামাৰী কৃষি চক্ৰৰ অন্তৰ্গত পাভমাৰী আৰু শলমাৰী গাওঁত বৰো ধানৰ খেতি ধানৰ পৰিৱৰ্তে পতান ওলোৱাক লৈ কৃষক ৰাইজে উদ্বেগ প্ৰকাশ কৰিছে। ইতিমধ্যে কৃষকৰ অভিযোগৰ ভিত্তিত জিলা কৃষি বিভাগে কৃষি বিজ্ঞান কেন্দ্ৰৰ সহযোগত চৰজমীন তদন্ত আৰম্ভ কৰিছে। জিলা কৃষি বিষয়া নৰেন চন্দ্ৰ শৰ্মাৰ নেতৃত্বত এটা বিভাগীয় দলে আজি খেতি পথাৰ পৰ্যবেক্ষণ কৰি কৃষকসকলৰ সৈতে মত বিনিময় কৰে। প্ৰাৰম্ভিক তথ্যত দলটোৱে কিছুসংখ্যক কৃষকে অনুমোদিত বীজ ব্যৱহাৰৰ পৰিৱৰ্তে পশ্চিমবংগৰ পৰা বিভিন্ন জাতৰ ধানৰ বীজ ক্ৰয় কৰি খেতি কৰিছিল। এই খেতিত সঠিক পৰিমাণৰ সাৰ ব্যৱহাৰ নকৰাৰ ফলতেই প্ৰায় ৪০ বিঘা মাটিত ধানৰ সলনি পতান ওলাব পাৰে বুলি

বিভাগীয় দলটোৱে প্ৰকাশ কৰিছে। জিলা কৃষি বিভাগে এই ধানৰ নমুনা সংগ্ৰহ কৰি বৈজ্ঞানিক অধ্যয়নৰ বাবে কৃষি বিজ্ঞান কেন্দ্ৰলৈ প্ৰেৰণ কৰিছে।

ooooo

ধেমাজি জিলাৰ চিলাপথাৰৰ ৰে'লৰে ষ্টেচনত ৰে'ল বিভাগৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় তথা ৰাজ্যিক দুৰ্যোগ প্ৰশমন বিভাগৰ সহযোগত মকড্ৰিল কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুশীলনত ৰে'ল দুৰ্ঘটনা, অগ্নিকাণ্ডৰ ঘটনা তথা যিকোনো ধৰণৰ দুৰ্ঘটনা সংঘটিত হ'লে কেনে ধৰণৰ সাৱধানতা অৱলম্বন কৰিব লাগে এই বিষয়ে ৰাইজক অৱগত কৰোৱা হয়। দুৰ্ঘটনা বা অগ্নিকাণ্ড সংঘটিত হোৱাৰ পাছত অগ্নি নিৰ্বাপক গাড়ী নহালৈকে জুই নুমুৱাৰ বাবে ল'বলগীয়া প্ৰাথমিক সতৰ্কতা সন্দৰ্ভতো ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস চলোৱা হয়।

ooooo

বিশ্বনাথ জিলাৰ গহপুৰ সমজিলাৰ প্ৰকৃতিপ্ৰেমী তথা বৃক্ষ মানৱৰূপে খ্যাত বকুল গগৈয়ে বাৰিষাৰ সময়ছোৱাত কণী দিয়া থলুৱা মাছ নধৰিবলৈ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰি আহিছে। এই উদ্দেশ্যে আজি অঞ্চলটোৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা স্থানীয় সচেতন ৰাইজ আৰু বকুল গগৈয়ে গহপুৰ পক্ষী উদ্যানত উজানৰ মাছ ধৰাৰ পৰা বিৰত থাকিব বুলি সংকল্প গ্ৰহণ কৰে। বাৰিষাৰ এই সময়ছোৱাত মাছৰ বংশবৃদ্ধিৰ সময়। সেয়েহে এক এপ্ৰিলৰ পৰা ১৫ জুলাইলৈকে নৈ, বিল, জলাশয় আদিত মাছ ধৰাতো আইনমতে অপৰাধ।

ooooo

ভাৰতীয় সেনাবাহিনীৰ সাহসিকতাক সন্মান জনাই আজি শোণিতপুৰ জিলাত ত্ৰিৰংগ যাত্ৰা আয়োজন কৰা হয়। এই যাত্ৰাত বৰচলা সমষ্টিৰ বিধায়ক গণেশ লিম্বু, তেজপুৰৰ বিধায়ক পৃথিৰাজ ৰাভা, ৰঙাপাৰাৰ বিধায়ক কৃষ্ণকমল তাঁতী, বিজেপি জিলাৰ সভানেত্ৰী  আদিৰ লগতে ভালসংখ্যক লোকে অংশগ্ৰহণ কৰে।

ooooo

অসম আৰক্ষীৰ মাদক দ্ৰব্য বিৰোধী অভিযানৰ অধীনত কাচাৰ আৰক্ষীয়ে কালি শিলচৰ আই এছ বি টিৰ সমীপত অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ এজন লোকক আটক কৰে।  আৰক্ষীয়ে জব্দ কৰা মাদক দ্ৰব্যখিনিৰ মূল্য প্ৰায় ৩ কোটি টকা বুলি প্ৰকাশ কৰিছে। এই সংক্ৰান্তত আৰক্ষীৰ লোকজনক সোধা পোচা অব্যাহত ৰাখিছে।

ooooo

অসমীয়া শিশু সাহিত্যৰ চৰ্চা, সৃষ্টি আৰু উত্তৰণৰ উদ্দেশ্যে গঠন হোৱা কিৰণ তামুলী শিশু সাহিত্য ন্যাসে চতুৰ্থবাৰৰ বাবে কিৰণ তামুলী শিশু সাহিত্য বঁটাৰ বাবে লেখক, প্ৰকাশক আৰু চিত্ৰশিল্পীৰ পৰা শিশু গ্ৰন্থৰ আহ্বান কৰিছে। এই বঁটাৰ বাবে ২০২০ ৰ পৰা ২০২৪ চনৰ ভিতৰত প্ৰকাশিত গ্ৰন্থ গ্ৰহণ কৰা হ'ব। আগ্ৰহীসকলে ইয়াৰ বাবে নিজৰ গ্ৰন্থৰ দুটাকৈ কপি, মৌচাক, ডেকাগাওঁ, যোৰহাট-৭৮৫০০৬ ঠিকনাত ৩০ আগষ্টৰ ভিতৰত পোৱাকৈ প্ৰেৰণ কৰিব লাগিব। চলিত বৰ্ষৰ ৯ অক্টোবৰত বঁটাসমূহৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

গোলাঘাট জিলাৰ দেৰগাঁৱৰ নাৰিকলগুৰিৰ প্ৰবীন সমাজকৰ্মী তথা শিক্ষাবিদ অৰুণ চন্দ্ৰ দাসৰ আজি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। ডেৰগাঁৱৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে জড়িত থকা অৰুণ চন্দ্ৰ দাসৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

ooooo

তিৱা সাহিত্য সভাৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি ৰত্নেশ্বৰ বৰদলৈৰ আজি দেহাৱসান ঘটে। মৰিগাঁও জিলাৰ নিজ তেতেলীয়াত জন্মগ্ৰহণ কৰা ৰত্নেশ্বৰ বৰদলৈ তিৱা সাহিত্য সভাৰ উপৰি তিৱা সংস্কৃতি আৰু লোক পৰিৱেশ্য কলা, তেতেলীয়াৰ উষা বৰত উৎসৱ আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬২ বছৰ।

ooooo

সমাপ্ত